জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬২/২০২২

# বিশিষ্ট উদ্যোগপতি, টাটা ট্ৰাষ্টৰ অধ্যক্ষ ৰতন নভেল টাটাক ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান 'অসম বৈভৱ' বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

## ব্যৱসায়ক কেনেকৈ সেৱালৈ ৰূপান্তৰ কৰিব পাৰি সেয়া ৰতন টাটাৰ জীৱন আৰু কৰ্মৰাজিয়েই প্ৰমাণ কৰিবলৈ যথেষ্ট ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইৰ কল'বাস্থিত তাজ উইলিংটন মিউজত আয়োজিত এক বিশেষ অনুষ্ঠানত প্ৰসিদ্ধ উদ্যোগপতি তথা টাটা ট্ৰাষ্টৰ অধ্যক্ষ ৰতন নভেল টাটাক সৰ্বোচ্চ ৰাজ্যিক অসামৰিক সন্মান 'অসম বৈভৱ' বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৈভৱৰ অৰ্থ হৈছে সমৃদ্ধি। মহান উদ্যোগপতি তথা সমাজকৰ্মী ৰতন নভেল টাটাৰ সমাজৰ প্ৰতি থকা দায়বদ্ধতা আৰু অনৱদ্য সেৱাই আজি দেশৰ লগতে আমাৰ ৰাজ্যখনলৈও সমৃদ্ধি কঢ়িয়াই আনিছে। ব্যৱসায়ক কেনেকৈ সেৱালৈ ৰূপান্তৰ কৰিব পাৰি সেয়া ৰতন টাটাৰ জীৱন আৰু কৰ্মৰাজিয়েই প্ৰমাণ কৰিবলৈ যথেষ্ট। অসমৰ প্ৰতি ৰতন টাটাই আগবঢ়োৱা বৰঙণিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত এইগৰাকী উদ্যোগপতিয়ে যি বৈপ্লৱিক পৰিৱৰ্তন আনিলে সেয়া ৰাজ্যবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে। এনে এগৰাকী মহান ব্যক্তিক ৰাজ্যখনৰ সৰ্বোচ্চ অসামৰিক সন্মান 'অসম বৈভৱ' বঁটা প্ৰথম বৰ্ষতে প্ৰদান কৰিবলৈ পাই তেওঁ গৌৰৱ অনুভৱ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

অসম বৈভৱ বঁটা গ্ৰহণ কৰি আগবঢ়োৱা নিজৰ চমু বক্তব্যত বিশিষ্ট উদ্যোগপতি ৰতন নভেল টাটাই অসমবাসীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে অসমৰ সেউজ পৰিৱেশ আৰু সহজ-সৰল জীৱন-যাত্ৰাই তেওঁক সদায়ে আকৰ্ষিত কৰি আহিছে। ৰাজ্যখনৰ বিকাশৰ স্বাৰ্থত ভৱিষ্যতেও সেৱা আগবঢ়াই যাবলৈ তেওঁ বদ্ধপৰিকৰ বুলি মন্তব্য কৰি তেওঁ কয় যে কৰ্মোদ্যমী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সুযোগ্য নেতৃত্বত ৰাজ্যখন বহু দূৰ আগুৱাই যাবলৈ সক্ষম হ'ব বুলি তেওঁ গভীৰভাৱে বিশ্বাসী।

উল্লেখ্য যে অসমৰ কৰ্কট ৰোগীৰ সেৱাৰ দিশত আগবঢ়োৱা বিশিষ্ট বৰঙণিৰ স্বীকৃতি স্বৰূপে উদ্যোগপতি ৰতন নভেল টাটালৈ এই বঁটা আগবঢ়োৱা হৈছে। অসম বৈভৱ বঁটাত আছে এখন প্ৰশস্তিপত্ৰ, এটা মেডেল আৰু ৫ লাখ টকাৰ ধনৰাশি।

উল্লেখযোগ্য যে যোৱা ২৪ জানুৱাৰীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অত্যন্ত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে লোকসেৱা, স্বাস্থ্য, শিক্ষা,

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

উদ্যোগ, কৃষি আদি বিভিন্ন ক্ষেত্ৰলৈ অসামান্য অৱদান আগবঢ়োৱা তথা সমাজ জীৱনৰ বাটকটীয়াসকললৈ ৰাজ্যিক অসামৰিক সন্মান 'অসম সৌৰভ' আৰু 'অসম গৌৰৱ' বঁটা ৰাজ্যৰ আন ১৮ গৰাকী বিশিষ্ট ব্যক্তিলৈ আগবঢ়াইছিল। ব্যক্তিগত কাৰণত ৰতন নভেল টাটাই সেই অনুষ্ঠানত উপস্থিত থাকিব পৰা নাছিল। আজি মুখ্যমন্ত্ৰীয়ে মুম্বাইলৈ আহি এইগৰাকী উদ্যোগপতিক 'অসম বৈভৱ' বঁটা প্ৰদান কৰে।

আনহাতে মুখ্যমন্ত্ৰীয়ে আজি কোকিলকণ্ঠী গায়িকা, ভাৰতৰত্ন লতা মংগেশকাৰৰ মুম্বাইস্থিত গৃহলৈ গৈ প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত কণ্ঠশিল্পীগৰাকীৰ পৰিয়ালৰ সৈতে মত-বিনিময় কৰি তেওঁলোকক সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰয়াত শিল্পীগৰাকীয়ে অসমৰ জনসাধাৰণৰ সৈতে সদায় বিশেষ সম্পৰ্ক বজাই ৰাখিছিল। চিৰ প্ৰৱাহমান বৰলুইতৰ দৰে এইগৰাকী শিল্পীৰ স্মৃতি অসমবাসীৰ মনত চিৰদিন সজীৱ হৈ থাকিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**প্ৰঃকুঃবঃ**
**১৬-২-২০২২**